**2021**

( Held in 2022 )

# EDUCATION

Paper : EDU–HC–3016

**( Development of Education in India—II )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Education was put in Concurrent List through which amendment of the Indian Constitution?

ভাৰতীয় সংবিধানৰ কোনটো সংশোধনীৰ জৰিয়তে শিক্ষাক সমৱৰ্তী সূচীৰ অন্তৰ্ভুক্ত কৰা হৈছিল ?

(b) Write the name of the Chairman of the University Education Commission of 1948.

১৯৪৮ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ অধ্যক্ষগৰাকীৰ নাম লিখা।

(c) Mention the duration of secondary education according to the Secondary Education Commission of 1952–53.

১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ সময়সীমা উল্লেখ কৰা।

(d) Which Education Commission had developed the concept of school complex?

বিদ্যালয় চক্রৰ ধাৰণাটো কোনটো শিক্ষা আয়োগে বিকাশ কৰিছিল?

(e) Mention the structure of education according to the Indian Education Commission of 1964–66.

১৯৬৪–৬৬ চনৰ ভাৰতীয় শিক্ষা আয়োগৰ মতে শিক্ষাৰ গাঁথনিটো উল্লেখ কৰা।

(f) In which year was the first National Policy on Education of Independent India implemented?

কোন চনত স্বাধীন ভাৰতবৰ্ষৰ প্ৰথমখন ৰাষ্ট্ৰীয় শিক্ষানীতি কাৰ্যকৰী কৰা হৈছিল?

(g) What is Operation Blackboard?

অপাৰেচন ব্লেকবোৰ্ড কি?

(h) Who was the Chairman of the National Knowledge Commission?

ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ অধ্যক্ষগৰাকী কোন আছিল?

(i) Which State of India is not covered by the Right to Education Act, 2009?

শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ভাৰতবৰ্ষৰ কোনখন ৰাজ্যত প্ৰযোজ্য নহয়?

(j) Write the full form of IQAC.

IQACৰ সম্পূৰ্ণ ৰূপটো লিখা।

**2.** Answer the following questions very briefly : 2×5=10

তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া :

(a) Mention two main recommendations of Dr. Tara Chand Committee of 1948.

১৯৪৮ চনৰ ড০ তাৰা চান্দ কমিটিৰ দুটা প্ৰধান পৰামৰ্শ উল্লেখ কৰা।

(b) Write two defects of secondary education according to the Secondary Education Commission of 1952–53.

১৯৫২–৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ দুটা আসোঁৱাহ লিখা।

(c) Write any two recommendations of the Education Commission of 1964–66 on Teacher Education.

শিক্ষক শিক্ষাৰ ক্ষেত্ৰত ১৯৬৪–৬৬ চনৰ শিক্ষা আয়োগে আগবঢ়োৱা যি কোনো দুটা পৰামৰ্শ লিখা।

(d) State any two recommendations of the Ramamurti Review Committee, 1990.

ৰামমূৰ্তি পুনৰীক্ষণ কমিটি, ১৯৯০ৰ যি কোনো দুটা পৰামৰ্শ উল্লেখ কৰা।

(e) Write two objectives of the Rashtriya Uchchatar Shiksha Abhiyan.

ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ দুটা উদ্দেশ্য লিখা।

**3.** Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Discuss the aims and objectives of higher education according to the University Education Commission of 1948.

১৯৪৮ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ মতে উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আলোচনা কৰা।

(b) Write the recommendations of the Secondary Education Commission of 1952–53 on principles of curriculum construction.

পাঠ্যক্ৰম প্ৰস্তুতিৰ নীতিৰ ক্ষেত্ৰত ১৯৫২–৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ লিখা।

(c) Discuss the national objectives of education according to the Education Commission of 1964–66.

১৯৬৪–৬৬ চনৰ শিক্ষা আয়োগৰ মতে শিক্ষাৰ জাতীয় উদ্দেশ্যসমূহ আলোচনা কৰা।

(d) Discuss the recommendations of the National Policy on Education of 1986 regarding secondary education.

মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৰামৰ্শসমূহ আলোচনা কৰা।

(e) Discuss the aims and objectives of Sarvashiksha Abhiyan.

সৰ্বশিক্ষা অভিযানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আলোচনা কৰা।

(f) Write about the National Curriculum Framework, 2005.

ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা, ২০০৫ৰ বিষয়ে লিখা।

**4.** Critically evaluate the recommendations of the University Education Commission of 1948. 10

১৯৪৮ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ সমালোচনাত্মক মূল্যায়ন কৰা।

*Or / অথবা*

Discuss the educational provisions of the Indian Constitution. 10

ভাৰতীয় সংবিধানৰ শৈক্ষিক ব্যৱস্থাবোৰ আলোচনা কৰা।

**5.** Describe the problems of examination system of secondary education as stated by the Secondary Education Commission of 1952–53. What recommendations were given by this Commission to solve these problems? 5+5=10

১৯৫২–৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ পৰীক্ষা ব্যৱস্থাৰ সমস্যাসমূহ বৰ্ণনা কৰা। এই সমস্যাসমূহৰ সমাধানৰ বাবে আয়োগে কি পৰামৰ্শ আগবঢ়াইছিল ?

*Or / অথবা*

Discuss the relevance of the recommendations of the Education Commission of 1964–66 in present education system. 10

বৰ্তমান শিক্ষা ব্যৱস্থাত ১৯৬৪–৬৬ চনৰ শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ প্ৰাসংগিকতা আলোচনা কৰা।

**6.** Discuss about the national system of education as recommended by the National Policy on Education of 1986. 10

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আগবঢ়োৱা পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

Critically evaluate the National Policy on Education of 1986. 10

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সমালোচনাত্মক মূল্যায়ন কৰা।

**7.** Describe the role of the National Assessment and Accreditation Council regarding quality control of higher education. 10

উচ্চ শিক্ষাৰ গুণমান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ ভূমিকা বৰ্ণনা কৰা।

*Or / অথবা*

Discuss the role of the Rashtriya Madhyamik Shiksha Abhiyan regarding universalization of secondary education. 10

মাধ্যমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ভূমিকা আলোচনা কৰা।

★★★